بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

# আঁহজৰত (ছাঃ)ৰ সত্য দাসৰ আল্লাহৰ প্ৰতি ভালপোৱাৰ ঈমান উদ্দীপক ঘটনাসমূহৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৩ ফেব্ৰুৱাৰী ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ أَمَّا بَعۡدُ فَأَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ إِيَّاكَ نَعۡبُدُ وَإِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ أَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আঁহজৰত (ছাঃ)ৰ আদৰ্শৰ ওপৰত এই যুগত আটাইতকৈ বেছি পৰিচালিত হোৱাৰ উদাহৰণ তেখেত (ছাঃ)ৰ সত্য দাস হজৰত মছীহ মাওউদ (আঃ)ৰ জীৱনত দেখা যায়। আঁহজৰত (ছাঃ)ৰ উপাসনা আৰু এই সন্দৰ্ভত উপদেশসমূহ বিগত খোতবাত বৰ্ণনা কৰা হৈছে।

আজি মই হজৰত মছীহ মাওউদ (আঃ)ৰ আল্লাহৰ উপাসনাৰ দুটা ঘটনা দাঙি ধৰিম, যিবোৰ আঁহজৰত (ছাঃ)ৰ আনুগত্যৰ ফলত লাভ হোৱা দেখা যায়।

হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাব (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত মিৰ্জা মহম্মদ দ্বীন চাহাব (ৰাঃ)য়ে তেওঁলৈ লিখি পঠাইছিল যে মই সৰুৰে পৰে হজৰত মছীহ মাওউদ (আঃ)ক দেখা পাই আহিছো, পোনপ্ৰথমে মই তেখেত (আঃ)ক হজৰত মিৰ্জা গুলাম মুৰতাজা চাহাবৰ জীৱন কালতে দেখা পাইছিলো, যেতিয়া তেখেত (আঃ) শিশু আছিল। তেখেত (ছাঃ)ৰ অভ্যাস আছিল যে ৰাতি ইশ্বাৰ নামাজৰ পিছত সোনকালে শুই পৰিছিল, আৰু ৰাতি প্ৰায় এটা বজাত নামাজে তাহাজ্জুদৰ বাবে উঠিছিল। তাহাজ্জুদ নামাজ পঢ়াৰ পিছত কোৰআন কৰিম পাঠ কৰিছিল, যেতিয়া ফজৰৰ আজান হৈছিল, তেতিয়া নামাজৰ বাবে মছজিদলৈ গৈ বা-জামাত নামাজ পঢ়িছিল। কেতিয়াবা তেখেত

(আঃ)য়ে নিজে নামাজ পঢ়াইছিল, কেতিয়াবা মিয়া জান মহম্মদ ইমাম মছজিদক নামাজ পঢ়াবলৈ কৈছিল। মই তেখেত (আঃ)ক মছজিদত ছুন্নত নামাজ পঢ়ি থকা দেখা নাই।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই নিজকে কেতিয়াও কঠিন বিপদত পেলোৱা নাই, আৰু আধুনিক যুগৰ কিছুমান চুফীসকলৰ দৰেও নিজকে কঠোৰ সংগ্ৰামত পেলোৱা নাই, অকলশৰীয়াভাৱেও নহয় আৰু চিল্লা কশ্বিৰ (চল্লিশ দিন আধ্যাত্মিক উন্নতিৰ বাবে খোদাৰ উপাসনা কৰা) দ্বাৰাও নহয়। ছুন্নতৰ বিৰোধ কোনো কাম কৰি সন্যাসীও হোৱা নাই, যাৰ ওপৰত খোদা তা'লাৰ বাণীৰ ওপৰত আপত্তি আহিব পাৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ পিতৃৰ মৃত্যু ওচৰ চাপি অহা সময়ত নিজৰ পৰিশ্ৰমৰ এটা ঘটনা বিস্তাৰিতভাৱে বৰ্ণনা কৰিছে, য'ত তেখেত (আঃ)য়ে এজন বুজুৰ্গ (বয়োজেষ্ঠ)ক সপোনত দেখিছিল, যিজনে কৈছিল যে ঐশ্বৰিক পোহৰ লাভ কৰিবলৈ হ'লে নবীৰ বংশধৰৰ বাবে ৰোজা ৰখাটো ছুন্নত। হুজুৰ (আঃ)য়ে কৈছে, মই কিছু কাললৈকে ৰোজা ৰখাটো উপযুক্ত বুলি ভাৱিলো, লগতে এই কাম গোপনে কৰাটো উত্তম বুলি ধাৰণা কৰিলোঁ, তেখেত (আঃ)য়ে এই পদ্ধতি অৱলম্বন কৰি ঘৰৰ পৰা পুৰুষ সকলৰ বৈঠকৰ পৰা খাদ্য আনি কিছুমান অনাথ শিশু সকলৰ মাজত বিতৰণ কৰিছিল। হুজুৰ (আঃ)য়ে কৈছিল,আল্লাহ তা'লাৰ বাহিৰে আন কোনেও এই ৰোজাৰ বিষয়ে জনা নাছিল। দুই তিনি সপ্তাহ পিছত তেখেত (আঃ)য়ে নিজৰ আহাৰ আগতকৈ কম কৰি দিছিল, গোটেই দিনৰ বাবে কেৱল এটা ৰুটি লৈ আহিছিল। পিছত আহাৰ ইমানেই কম কৰিছিল যে দুই তিনি মাহৰ শিশুৰ বাবেও ইমানখিনি খাদ্য যথেষ্ট নাছিল। তেখেত (আঃ)য়ে ৮/৯ মাহলৈকে এনেদৰেই ৰোজা অব্যাহত ৰাখিছিল।

সেই সময়ত ৰোজাৰ পৰা বহু কথা তেখেত (আঃ)ৰ অভিজ্ঞতালৈ আহিছিল। তেখেত (আঃ)য়ে কৈছিল যে বহু নবী আৰু আউলিয়াসকলৰ সৈতে সাক্ষাৎ এই ৰোজাৰ বাবেই হৈছিল। কৈছে যে এবাৰ তন্দ্ৰাছন্ন অৱস্থাত মই ৰছুলে কৰিম (ছাঃ)ক হুছেইন, আলী আৰু ফাতিমা (ৰাঃ)ৰ সৈতে দেখা পাইছিলো, এইটো সপোন নাছিল,বৰঞ্চ এক ধৰণৰ তন্দ্ৰাছন্ন আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে খোতবাত আৰু কৈছে, এটা বৰ্ণনাত উল্লেখ আছে যে হুজুৰ (আঃ)য়ে এবাৰ কোঠালিত পৰি অজ্ঞান হৈ পৰিছিল, যেতিয়া জ্ঞান উভতি আহিছিল, তেতিয়া সুধিছিল যে নামাজৰ সময় হৈছেনে ? অৰ্থাৎ নামাজৰ প্ৰতি ইমানেই গভীৰ প্ৰেম আছিল। ১৮৯৫ চনত হজৰত মিৰ মহম্মদ ইছমাইল চাহাব (ৰাঃ)য়ে ৰমজান মাহত কাদিয়ান অহাৰ সৌভাগ্য লাভ কৰে, তেখেতে গোটেই মাহ নামাজে তাহাজ্জুদ, অৰ্থাৎ নামাজে তাৰাবিহ হুজুৰ (আঃ)ৰ পিছত পঢ়িছিল। তেওঁ বৰ্ণনা কৰিছে যে হুজুৰ (আঃ)য়ে নামাজে ৱেতৰ ৰাতিৰ প্ৰথম ভাগত পঢ়িছিল, আৰু দুই দুই ৰাকাত ৰাতিৰ শেষ ভাগত তাৰাবীহৰ নামাজ পঢ়িছিল।

হজৰত মিৰ্জা বশ্বিৰ আহমদ চাহাব (ৰাঃ)য়ে হজৰত আম্মাজানৰ পৰা বৰ্ণনা কৰিছে যে হুজুৰ (আঃ)য়ে পাঁচ ওৱাক্ত নামাজৰ বাহিৰেও দুই ধৰণৰ নফল নামাজ আদায় কৰিছিল। প্ৰথমটো হৈছে

আশ্বৰাক, যিটো মাজে সময়ে পঢ়িছিল, দ্বিতীয়টো হৈছে, নামাজে তাহাজ্জুদ অধিক অসুস্থ হোৱাৰ বাহিৰে ৮ ৰাকাত সদায় পঢ়িছিল। অসুস্থ পৰিস্থিতিত বিছনাত শুই থকা অৱস্থতাহে দোৱা কৰি থাকিছিল, শেষ বয়সত অধিক দুৰ্বল হোৱাৰ বাবে বহি দোৱা কৰিছিল।

হজৰত মৌলৱী ইয়াকুব আলী চাহাব (ৰাঃ)য়ে লিখিছে যে তেখেত (আঃ)য়ে মোকৰ্দমাৰ অনুসৰণ কেৱল তেখেত (আঃ)ৰ পিতৃয়ে কোৱাৰ বাবেই কৰিছিল। কিন্তু এই ক্ষেত্ৰতো লক্ষ্য ৰাখিছিল, যাতে কোনো নামাজ কাজা নহয়।

হজৰত মছীহ মাওউদ (আঃ)ৰ কণ্ঠ বৰ বেদনাসুক্ত আছিল। তেখেত (আঃ)য়ে কিৰা'ত লাহে লাহে কৰিছিল। তেখেত (আঃ)ৰ কোৰআন আৰু ছুন্নত ৰছুলে কৰিম (ছাঃ)ৰ প্ৰতি বৰ প্ৰেম আছিল। তেখেত (আঃ)ৰ আৰাধনাৰ পদ্ধতি ৰছুলে কৰিম (ছাঃ)ৰ পৰা পৃথক নাছিল। নামাজৰ বাহিৰেও তেখেত (আঃ)য়ে কোৰআন কৰিম পাঠ কৰিছিল, দৰূদ শ্বৰীফ পাঠ কৰিছিল আৰু আল্লাহৰ ওচৰত ক্ষমা বিচাৰিছিল। কোৰআনৰ প্ৰতি তেখেত (আঃ) ইমানেই আসক্ত আছিল যে দিনে-নিশা, উঠা-বহা আৰু ফুৰা অৱস্থাতো কোৰআন কৰিম পাঠ কৰিছিল আৰু বহু কান্দিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে যেতিয়া নামাজৰ বাবে মছজিদলৈ যাব পৰা নাছিল, তেতিয়া ঘৰতে বা-জামাত নামাজ আদায় কৰিছিল। এনে সময়ত আমাৰ মাতৃক লগতে ৰাখি নামাজ পঢ়িছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে হজৰত শ্বেখ ইয়াকুব আলি ইৰফানি চাহাব (ৰাঃ)য়ে তেখেত (আঃ)ৰ শৈশৱকালৰ কথা বৰ্ণনা কৰিছে যে হুজুৰ (আঃ)য়ে নিজৰ সম বয়সৰ এজনী ছোৱালী যাৰ সৈতে তেখেত (আঃ)ৰ পিছত বিয়া হৈছিল, তাইক সদায় দোৱা কৰিবলৈ কৈছিল যে মই যেন সদায় নামাজ পঢ়িব পাৰো। এই বাক্যৰ পৰা জানিব পৰা যায় যে তেখেত (আঃ) সৰুৰে পৰাই অতি পৱিত্ৰ আছিল।

হুজুৰ (আঃ)য়ে কৈছে যে সৰুৰে পৰাই মই ৰোজা ৰখাৰ অভ্যস্ত হৈ আহিছো....সৰু থাকোতেই মই ২৯ ৰোজা সম্পূৰ্ণ কৰিছোঁ, সেই দিনা মোৰ বাবে ঈদ আছিল। যিদৰে প্ৰতিটো ফলৰ পৃথক সোৱাদ আছে, সেইদৰে ৰোজাতো বিশেষ কল্যাণ আছে। যিটো উপাসনাত আধ্যাত্মিকতা আছে সেই সময়ৰ উপসনাত পৃথক সোৱাদ আছে, যিটো মানুহৰ বৰ্ণনাৰ বাহিৰত। উপাসনা কৰা সময়ত মানুহৰ আত্মা অতি সূক্ষ্ম পৰ্যায়ত উপনীত হৈ পানীৰ দৰে বৈ গৈ খোদাৰ সৈতে সাক্ষাৎ কৰা উচিত।

হজৰত পীৰ ছিৰাজুল হক নু'মানী চাহাব (ৰাঃ)য়ে মিয়া জান মহম্মদ মৰহুম (ৰাঃ)ৰ নামাজে জানাজা সন্দৰ্ভত বৰ্ণনা কৰিছে যে হুজুৰ (আঃ)ৰ প্ৰয়াতজনৰ সৈতে গভীৰ প্ৰেম আছিল। হুজুৰ (আঃ)য়ে নিজেই তেখেতৰ নামাজে জানাজা পঢ়াইছিল, নামাজ ইমান দীঘলীয়া কৰিছিল যে মুকতাদী (অনুগামী) সকলে থিয় হৈ ক্লান্ত হৈ পৰিছিল। মই থিয় হৈ থকা সময়ত ক্লান্ত হৈ পৰিছিলো। নামাজে জানাজা আদায় কৰি যেতিয়া উভতি আহিছিলো, তেতিয়া কোনোবাই কৈছিল, হুজুৰ ! আজি ইমান দীঘলীয়া নামাজ পঢ়াইছে যে আমি ক্লান্ত হৈ পৰিছিলো, আপোনাৰো একেই অৱস্থা হৈছিল। হুজুৰ (আঃ)য়ে কৈছিল যে আমি ক্লান্ত হৈ যোৱাৰ সৈতে কি সম্পৰ্ক ? আমি আল্লাহ তা'লাৰ ওচৰত দোৱা

কৰি আছিলো, তাত এই প্ৰয়াতজনৰ ক্ষমাৰ বাবে দোৱা কৰি আছিলো। বিচৰাজনে কেতিয়াবা ভাগৰি পৰেনে ? যিয়ে ভাগৰ হৈ যায় তেওঁ বৈ যায়। আমি বিচৰাজন হওঁ আৰু সেইজনা প্ৰদানকাৰী, তেন্তে কিয় ভাগৰি পৰিম ? য'ত কিছু পৰিমাণেও আশা থাকে, তাত বিচৰাজনে দৃঢ় হৈ থাকে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আল্লাহ তা'লা আমাক এই চিন্তা আৰু অনুভূতিৰ সৈতে নামাজ আদায় কৰাৰ সৌভাগ্য দান কৰক। আমি হজৰত মছীহ মাওউদ (আঃ)ৰ এই চৰ্তৰ সৈতে দীক্ষা গ্ৰহণ কৰিছোঁ যে নামাজ খোদা আৰু তাৰ ৰছুলৰ আদেশ অনুসৰি আদায় কৰিম, আল্লাহ তা'লাৰ অনুগ্ৰহ মনত পেলাই সেইজনাৰ প্ৰশংসা কৰি নামাজ আদায় কৰিম। আল্লাহ তা'লা আমাক এই অংগীকাৰ পালন কৰাৰ সৌভাগ্য দান কৰক।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দুজন প্ৰয়াত ব্যক্তিৰ সদগতিৰ কথা উল্লেখ কৰি নামাজ জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে, লগতে প্ৰয়াত দুজনৰ ক্ষমাৰ আৰু উচ্চ মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَنْ یَّھْدِہِ اللّٰہُ فَلَا مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلَا ھَادِیَ لَہٗ وَنَشْھَدُ اَنْ لَّا اِلٰہَ اِلَّا اللّٰہُ وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ۔ عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 13 FEB 2026

**BOOK POST (PRINTED MATTER)**

TO,

..............................................................................................................................
..............................................................................................................................
..............................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB